# ভাৰত-ম্যানমাৰ যুটিয়া পৰামৰ্শমুলক কমিছনৰ প্ৰথম বৈঠক

১৪ জুলাই ২০১৫

ভাৰত-ম্যানমাৰ যুটিয়া পৰামৰ্শমুলক কমিছনৰ প্ৰথম খন বৈঠক নতুন দিল্লীত ১৬ জুলাই ২০১৫ তাৰিখে অনুষ্ঠিত হব ।এই বৈঠকত যুটিয়াভাৱে ভাৰতৰ বিদেশ মন্ত্ৰী আৰু ম্যানমাৰৰ বিদেশমন্ত্ৰীয়ে পৌৰহিত্য কৰিব ।এই বৈঠকৰ বাবে ম্যানমাৰৰ বিদেশমন্ত্ৰী উ উনা মং লুইনে এটা উচ্চস্তৰীয় প্ৰতিনিধি দলেৰে সৈতে ভাৰতলৈ আহিছে ।

২০০৩ চনত ম্যানমাৰৰ বিদেশমন্ত্ৰী গৰাকীৰ ভাৰত ভ্ৰমণ কালতভাৰতৰ বিদেশমন্ত্ৰণালয় আৰু ম্যানমাৰৰ বিদেশমন্ত্ৰণালয়ৰ মাজত পৰামৰ্শৰ বাবে এক প্ৰটোকল স্বাক্ষৰিত কৰা হৈছিল ।সেই প্ৰটোকলৰ অন্তৰ্গত জেচিচি গঠন কৰা হয় .

প্ৰথম খন জেচিচিৰ বৈঠকত বিভিন্ন ক্ষেত্ৰৰ দ্বিপাক্ষীক উদ্যোগ সমুহৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনাত কৰা হব । এই বৈছকত গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সমুহ চিন্হিত কৰা হব আৰু দ্বিপাক্ষীক অংশীদাৰিত্ব সম্পৰ্কে দিশ নিৰ্ণয় কৰা হব ।এই বৈঠকত দুয়োদেশৰ বাবে একে গুৰুত্ব পোৱা আঞ্চলিক,আৰ্ন্তজাতিক বিষয়সমুহৰ সম্বন্ধে মত বিনিময় কৰাৰ উপযুক্ত সুযোগ পোৱা যাব ।

ভাৰত ভ্ৰমণ কালত ম্যানমাৰৰ বিদেশমন্ত্ৰী গৰাকীয়ে সন্মানীয় প্ৰধানমন্ত্ৰী সৈতে সাক্ষাত কৰিব । তেওঁ দিল্লীৰ ফৰেন ছাৰ্ভিছ ইনষ্টিটিউত লৈ যোৱাৰ কাৰ্য্যসূচী নিৰ্দ্ধাৰিত কৰা হৈছে ।তেওঁৰ ভ্ৰমণৰ সংগী হিচাপে অহা প্ৰতিনিধি দলটোৰে সৈতে ঐতিহাসিক জয়পুৰ চহৰ দৰ্শণ কৰিব ।

নতুন দিল্লী

১৫ জুলাই ২০১৫